জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩২১/২০২১**

# প্ৰতিদিন টাইমৰ নতুন কাৰ্যালয় ভৱন পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৫ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ আগশাৰীৰ বৈদ্যুতিন সংবাদ মাধ্যম 'প্ৰতিদিন টাইম'ৰ জো-ৰোডস্থিত নতুন কাৰ্যালয় ভৱন পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী শৰ্মাই নতুন কাৰ্যালয় ভৱনটোত গড় দিয়া বিভিন্ন ব্যৱস্থাৱলীৰ বুজ লোৱাৰ লগতে সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱা, প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া আৰু সংবাদ গোষ্ঠীটোৰ আন জ্যেষ্ঠ বিষয়ববীয়া, সংবাদকৰ্মীসকলৰ সৈতে মত-বিনিময় কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিদিন টাইম গোষ্ঠীৰ সমূহ সদস্যক নতুন কাৰ্যালয় ভৱনটোৰ বাবে অভিনন্দন জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে এই নতুন কাৰ্যালয় ভৱনে প্ৰতিদিন টাইমক সংবাদ ক্ষেত্ৰখনত আৰু অধিক বলিষ্ঠতাৰে আগুৱাই যাবলৈ উৎসাহিত কৰিব।

**বীঃগঃ**
**১৫-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in